# ফৰাচী মহাকাশচাৰী, পাইলট আৰু অভিনেতা থমাছ পেস্কেটৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

জুলাই 14, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 2023 চনৰ 14 জুলাইত পেৰিছত ফ্ৰান্সৰ এৰোস্পেছ অভিযন্তা, পাইলট, ইউৰোপীয় মহাকাশ সংস্থাৰ মহাকাশচাৰী আৰু অভিনেতা শ্ৰীযুত থমাছ পেস্কেটক সাক্ষাৎ কৰে।

প্ৰধানমন্ত্ৰীয়ে মহাকাশ খণ্ডত ভাৰতৰ অগ্ৰগতিৰ কথা শ্ৰীযুত পেস্কেটৰ সৈতে ভাগ বতৰা কৰে, বিশেষকৈ ষ্টাৰ্টআপৰ প্ৰচাৰ আৰু ব্যক্তিগত খণ্ডৰ অধিক অংশগ্ৰহণক উৎসাহিত কৰা। প্ৰধানমন্ত্ৰীয়ে যুৱসকলক অনুপ্ৰাণিত কৰাৰ লগতে মহাকাশ খণ্ডৰ সহযোগিতা অন্বেষণৰ বাবে শ্ৰীযুত পেস্কেটক ভাৰত ভ্ৰমণৰ বাবে আমন্ত্ৰণ জনায়।

শ্ৰীযুত পেস্কেটে এজন মহাকাশচাৰী হিচাপে তেওঁৰ অভিজ্ঞতা প্ৰধানমন্ত্ৰীৰ সৈতে ভাগ বতৰা কৰে আৰু ভৱিষ্যতৰ মহাকাশ কাৰ্যসূচী আৰু প্ৰযুক্তিৰ সম্ভাব্য ৰূপৰেখা সম্পৰ্কে আলোচনা কৰে।

**পেৰিছ**
**জুলাই 14, 2023**